# REGIONAL NEWS UNIT

AKASHVANI, GUWAHATI

0000000000

**Date :** 02-March-2026

**Time :** 1845 HRS

## *Assamese Evening Bulletin*

১।	পশ্চিম এছিয়া আৰু মধ্য প্ৰাচ্যত অশান্তজৰ্জৰ পৰিস্থিতি। আবদ্ধ ভাৰতীয়ক উদ্ধাৰৰ প্ৰচেষ্টা অব্যাহত।

২।	জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ গোচৰৰ মূল অভিযুক্ত শ্যামকানু মহন্তৰ বেংক একাউণ্ট মুকলিৰ বাবে আদালতৰ নিৰ্দেশ।

৩।	ৰাজ্যৰ বিভিন্ন প্ৰান্তত দৌল উৎসৱ আৰম্ভ। বৰপেটা, বটদ্ৰৱা, মাজুলীকে ধৰি বিভিন্ন সত্ৰ-দৌলত উৎসৱমুখৰ পৰিবেশ।

৪।	কাৰ্বি আংলঙত উৎপাদিত দুই মেট্ৰিক টন সতেজ আদা প্ৰথমবাৰৰ বাবে লণ্ডনলৈ ৰপ্তানি।

**আৰু**

৫।	ৰাজ্য চৰকাৰৰ উদ্যোগত পাঁচ গৰাকী জাপানী প্ৰশিক্ষকৰ দ্বাৰা অসমৰ খেলুৱৈক প্ৰশিক্ষণ প্ৰদানৰ ব্যৱস্থা।

ooooo

আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু ইজৰাইলৰ ইৰানত যুটীয়া আক্ৰমণ তীব্ৰতৰ হৈ উঠাৰ পৰিপ্ৰেক্ষিতত পশ্চিম এছিয়াৰ পৰিস্থিতিয়ে জটিল ৰূপ ধাৰণ কৰিছে। ক্ষেপনাস্ত্ৰ আৰু ড্ৰোনেৰে ইৰানত আমেৰিকা আৰু ইজৰাইল বাহিনীৰ নিৰন্তৰ আক্ৰমণ অব্যাহত আছে। প্ৰত্যুত্তৰত ইৰাণ আৰু দেশখনৰ সমৰ্থিত সেনা বাহিনীয়েও ইজৰাইল আৰু মধ্যপ্ৰাচ্যৰ দেশসমূহত আক্ৰমণ চলাইছে। ব্ৰিটেইন ফ্ৰান্স আৰু জাৰ্মানীয়ে ইৰাণৰ আক্ৰমণৰ প্ৰত্যুত্তৰ দিয়াৰ বাবে আমেৰিকাক সহযোগ কৰিব বুলি প্ৰকাশ কৰিছে। ইৰাণৰ বিদেশ মন্ত্ৰী আববাছ আৰাঘচিয়ে কঠোৰ ভাষাৰে দেশখনৰ মুৰব্বী আলী খামেনেইৰ ওপৰত আক্ৰমণ আৰু তেওঁৰ হত্যাক গৰিহণা দিয়ে। মন্ত্ৰীগৰাকীয়ে এই ঘটনাক বে-আইনী বুলি অভিহিত কৰাৰ লগতে ইৰাণে প্ৰতিৰক্ষা হিচাপে সমুচিত প্ৰত্যুত্তৰ দিব বুলি প্ৰকাশ কৰে। ইপিনে, আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে কুৱেইকত তিনিটা আমেৰিকান বাহিনীৰ সৈন্যৰ মৃত্যুৰ ক্ষতিপূৰণ আদায় কৰিব বুলিও প্ৰকাশ কৰিছে। ইৰাণেও আমেৰিকা যুক্তৰাষ্ট্ৰৰ উপৰি ইউ এ ই, কুৱেইট, বাহৰেইণকে ধৰি মধ্যপ্ৰাচ্যৰ দেশসমূহত আক্ৰমণ অব্যাহত ৰাখিছে। ইজৰাইলে বেইৰুটত কৰা আক্ৰমণত ৩১ জন লোকৰ মৃত্যু হৈছে।

ইজৰাইলৰ বায়ুসেনা বাহিনীয়ে প্ৰকাশ কৰা তথ্য মতে ইৰাণে ইজৰাইলৰ ভূখণ্ডত ক্ষেপনাস্ত্ৰৰে আক্ৰমণ চলাইছে। ইৰাণে দাবী কৰা মতে কুৱেইটত আমেৰিকাৰ এফ ফিফ্‌টিন যুঁজাৰু বিমান বিধ্বস্ত হৈছে। কুৱেইটত থকা আমেৰিকাৰ দূতাবাসত ইৰাণে আক্ৰমণ চলাইছে।

পশ্চিম এচিয়া আৰু মধ্য প্ৰাচ্যৰ দেশসমূহৰ এনে পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত আবদ্ধ ভাৰতীয়সকলক উদ্ধাৰৰ বাবে সকলো প্ৰচেষ্টা অব্যাহত ৰখা হৈছে বুলি কেন্দ্ৰীয় মন্ত্ৰী কিৰেন ৰিজিজুৱে প্ৰকাশ কৰিছে।

ooooo

কামৰূপ মহানগৰ জিলাৰ জিলা আৰু ছেছন আদালতে জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ গোচৰৰ মূল অভিযুক্ত শ্যামকান মহন্তৰ জব্দ কৰা বেংক একাউণ্ট মুকলি কৰিবলৈ নিৰ্দেশ দিছে। গোচৰটোৰ আজি শুনানি গ্ৰহণ কৰি আদালতে এই নিৰ্দেশ দিয়ে। বেংক একাউণ্ট জব্দ কৰাৰ সময়ত তদন্তকাৰী সংস্থাই ভাৰতীয় ন্যায় সংহিতাৰ ১০৭ ধাৰা উলংঘন কৰাৰ বাবে আদালতে অভিযুক্তজনৰ বেংক একাউণ্ট মুকলি কৰিবলৈ নিৰ্দেশ দিয়ে। একেদৰে আদালতে আজি চৰ্তসাপেক্ষে গোচৰটোৰ আন এজন অভিযুক্ত সিদ্ধাৰ্থ শৰ্মাৰ জব্দ কৰা ফ্লেটটো মুকলি কৰিবলৈ নিৰ্দেশ দিছে। অৱশ্যে ফ্লেটটো মুকলি কৰাৰ বাবে সিদ্ধাৰ্থ শৰ্মাই আদালতত ১৬ লাখ টকাৰ বেংক গেৰাণ্টি জমা দিব লাগিব। ইপিনে, ছিংগাপুৰত চলি থকা গোচৰৰ যাৱতীয় নথিপত্ৰ বিচাৰি অভিযুক্ত পক্ষই দাখিল কৰা আবেদন আদালতে খাৰিজ কৰে। অসম চৰকাৰৰ হৈ গোচৰটোৰ প্ৰতিনিধিত্ব কৰা বিশেষ লোক অধিবক্তা জিয়াউল কামাৰে প্ৰকাশ কৰা মতে ছিংগাপুৰলৈ গৈ তদন্তকাৰী গোটে লাভ কৰা সকলো তথ্য ইতিমধ্যে আদালতত দাখিল কৰা হৈছে। সেয়ে অভিযুক্ত পক্ষই ইচ্ছা কৰিলে সেই তথ্যসমূহ চাব পাৰিব বুলি আজি আদালতে নিৰ্দেশনাটোত উল্লেখ কৰিছে। অহা ১৯ মাৰ্চত অভিযুক্তৰ বিৰুদ্ধে অভিযোগ আৰোপ সন্দৰ্ভত শুনানি অনুষ্ঠিত হ'ব বুলি অধিবক্তাগৰাকীয়ে প্ৰকাশ কৰিছে। আজিৰ শুনানি সন্দৰ্ভত বিশেষ লোক অধিবক্তা জিয়াউল কামাৰে এইদৰে কয়।

বাইট

ooooo

অসমৰ তিনিখন ৰাজ্যসভা আসনৰ বাবে অহা ১৬ মাৰ্চ নিৰ্বাচন অনুষ্ঠিত হ'ব। ৰাজ্যসভা নিৰ্বাচনৰ বাবে শাসক-বিৰোধী উভয় পক্ষই মনোনয়ন পত্ৰ সংগ্ৰহ কৰিছে। বিজেপিৰ ৰামেশ্বৰ তেলী, যোগেন মহন, তেৰছ গোৱালা, তপন গগৈ, পুলক গোঁহাই আৰু দিপ্লুৰঞ্জন শৰ্মাৰ নামত ইতিমধ্যে ছখন মনোনয়ন পত্ৰ সংগ্ৰহ কৰা হৈছে। আনহাতে, ইউ পি পি এলৰ মুৰব্বী প্ৰমোদ বড়ো আৰু এ আই ইউ ডি এফৰ মুৰব্বী বদৰুদ্দিন আজমলৰ নামতো মনোনয়ন পত্ৰ সংগ্ৰহ কৰা হৈছে। উল্লেখযোগ্য অহা ৫ মাৰ্চ মনোনয়ন পত্ৰ দাখিলৰ অন্তিম দিন ধাৰ্য কৰা হৈছে।

ooooo

ভাৰতীয় তথ্য সেৱা বিষয়া অংকুৰ লাহটীয়ে আজি আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগৰ মুৰব্বী হিচাপে দায়িত্বভাৰ গ্ৰহণ কৰিছে। গুৱাহাটী দূৰদৰ্শন কেন্দ্ৰৰ যুটীয়া সঞ্চালক হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰি থকা শ্ৰীলাহটীয়ে অতিৰিক্তভাৱে এই দায়িত্ব গ্ৰহণ কৰিছে। আজি দায়িত্বভাৰ গ্ৰহণ কৰিবলৈ বাতৰি বিভাগলৈ অহাৰ পাছত বিভাগৰ সদস্যসকলে তেওঁক আদৰণি জনায়।

ooooo

ৰাজ্যৰ বিভিন্ন প্ৰান্তত আজিৰেপৰা দৌল উৎসৱ উপলক্ষে আনন্দমুখৰ পৰিৱেশৰ সৃষ্টি হৈছে। ইয়াৰ লগতে ৰঙৰ উৎসৱ ফাকুৱাৰো প্ৰস্তুতি চলিছে। দৌল উৎসৱ উপলক্ষে সত্ৰ-দৌলসমূহত আজি পুৱাৰেপৰা পৰম্পৰাগত আৰু ধৰ্মীয় ৰীতি-নীতিৰে কাৰ্যসূচী পালন কৰা হৈছে। ঐতিহ্যমণ্ডিত বৰপেটা সত্ৰৰ লগতে জিলাখনৰ প্ৰান্তে প্ৰান্তে দৌল উৎসৱক কেন্দ্ৰ কৰি উৎসৱমুখৰ পৰিৱেশৰ সৃষ্টি হৈছে। সত্ৰনগৰী বৰপেটাত

আজিৰেপৰা ৫ দিনীয়াকৈ দৌল মহোৎসৱ উদযাপন কৰা হৈছে। আজি সন্ধিয়া গোন্ধযাত্ৰাৰে আৰম্ভ হ'বলগীয়া এই উৎসৱৰ কাইলৈৰ পৰা তিনিদিন ভৰদৌল অনুষ্ঠিত হ'ব। বৰপেটাবাসীৰ প্ৰাণৰ উৎসৱ তথা জনজীৱনৰ আয়ুসৰেখাস্বৰূপ দৌল মহোৎসৱ উপলক্ষে আজি বৰপেটাৰ আকাশ-বতাহ হোলী গীতৰ সুৰেৰে মুখৰ হৈ পৰিছে। সুন্দৰীদিয়া সত্ৰ, বাৰাদি সত্ৰ, পাটবাউসীৰ শংকৰদেৱ থান সত্ৰতো আজিৰেপৰা দৌল মহোৎসৱৰ আয়োজন কৰা হৈছে। বৰপেটা সত্ৰত দৌল মহোৎসৱ সন্দৰ্ভত এয়া সত্ৰৰ ডেকা সত্ৰীয়া গৌতম পাঠকে এইদৰে কয়–

*(বাইট ঃ পাঠক)*

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জন্মস্থান বটদ্ৰৱা থানত আজিৰেপৰা পাঁচদিনীয়া কাৰ্যসূচীৰে দৌল উৎসৱৰ আয়োজন কৰা হৈছে। আজি প্ৰথম দিনা গন্ধোৎসৱৰ সন্ধিয়া শ্ৰীকৃষ্ণ গোসাঁইক গায়ন-বায়ন আৰু ভক্তিপ্ৰাণ ৰাইজে থানৰ ৰভাতলত স্থাপন কৰিব। কাইলৈ গোসাঁইৰ শিৰত ফাকু দিয়া উৎসৱ, পৰহিলৈ গোসাঁই ফুৰুৱা উৎসৱৰ লগতে প্ৰতিদিনে সন্ধিয়া সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰা হৈছে বুলি দৌল পৰিচালনা সমিতিয়ে জানিবলৈ দিয়ে। নগাঁৱৰ শ্ৰীশ্ৰী দক্ষিণপাট কছাৰীসত্ৰ, ফুলগুৰিৰ শ্ৰীশ্ৰী চেংলাই সত্ৰ, কোচবিহাৰৰ মধুপুৰ সত্ৰ, মাজুলীৰ ঐতিহ্যমণ্ডিত বেঙেনাআটি সত্ৰ, কামৰূপ জিলা শুৱালকুছিৰ ঈশ্বৰ শ্ৰীশ্ৰীহাটীসত্ৰত বৰ্ণাঢ্য কাৰ্যসূচীৰে দৌল উৎসৱৰ আয়োজন কৰা হৈছে। উৎসৱৰ লগত সংগতি ৰাখি হোলী গীত প্ৰতিযোগিতাকে ধৰি বিভিন্ন কাৰ্যসূচীৰ  আয়োজন কৰা হৈছে।

উত্তৰ গুৱাহাটীৰ শ্ৰী শ্ৰী দৌলগোবিন্দ মন্দিৰত আজিৰে পৰা ৫ দিনীয়া কাৰ্যসূচীৰে দৌল উৎসৱৰ আয়োজন কৰা হৈছে। এই উপলক্ষে পুৱাৰেপৰা দৌল গোবিন্দ মন্দিৰ প্ৰাংগণত উখল-মাখল পৰিৱেশে বিৰাজ কৰিছে।

লখিমপুৰৰ শ্ৰীশ্ৰী বাসুদেৱ থানা নৰোৱা সত্ৰত আজিৰেপৰা তিনিদিনীয়াকৈ দৌল উৎসৱ অনুষ্ঠিত হৈছে। তিনিদিনীয়া এই উৎসৱৰ সময়ছোৱাত বিভিন্ন সাংস্কৃতিক কাৰ্যসূচীৰ লগতে দুখন ভাওনা প্ৰদৰ্শন কৰা হ'ব।

গোৱালপাৰা জিলাৰ ৰংজুলিৰ শ্ৰীশ্ৰী ৰামচন্দ্ৰ বিগ্ৰহ দেৱালয়ত আজিৰেপৰা পাঁচদিনীয়াকৈ ফল্গুউৎসৱ পালন কৰা হৈছে। গোৱালপাৰা চহৰৰ শ্ৰীশ্ৰী শ্যামৰায় সত্ৰ আৰু পশ্চিম গোৱালপাৰাৰ কেওলিয়াহাটী সত্ৰতো চাৰিদিনীয়াকৈ দৌল উৎসৱ অনুষ্ঠিত কৰা হৈছে। বজালী জিলাৰ ইতিহাস প্ৰসিদ্ধ গোবিন্দপুৰ সত্ৰ প্ৰাংগণতো ভিন ভিন কাৰ্যসূচীৰে দৌল উৎসৱ উদযাপন কৰা হ'ব। এই উপলক্ষে নাম প্ৰসংগ, মেষদাহ, দৌল পূজা, দৌল গোবিন্দৰ পূজা অৰ্চনা, সুঁৱেৰি উৎসৱ আৰু নাট্যাভিনয়ৰ আয়োজন কৰা হৈছে। দৌল উৎসৱ উপলক্ষে কেইবাখনো জিলাৰ প্ৰশাসনে পৰহিলৈ স্থানীয় বন্ধ ঘোষণা কৰিছে। কামৰূপ মহানগৰ, কোকৰাঝাৰ, দৰং, কামৰূপ, মৰিগাঁও আৰু শোণিতপুৰ জিলাত পৰহিলৈ শিক্ষানুষ্ঠান, শৈক্ষিক প্ৰতিষ্ঠান আদি বন্ধ ঘোষণা কৰা হৈছে।

০০০০০

কাৰ্বি আংলং জিলাত উৎপাদিত দুই মেট্ৰিকটন সতেজ আদা প্ৰথমবাৰৰ বাবে লণ্ডনলৈ ৰপ্তানি কৰা হৈছে। আজি খানাপাৰা কৃষিভৱন কাৰ্যালয়ৰ পৰা কৃষিমন্ত্ৰী অতুল বৰাই এই আদা ৰপ্তানি কাৰ্য শুভাৰম্ভ কৰে। এই উপলক্ষে সাংবাদিকৰ আগত নিজৰ মত প্ৰকাশ কৰি মন্ত্ৰীগৰাকীয়ে কয়, যে অসমৰ বিভিন্ন কৃষি সামগ্ৰীয়ে

বিশ্বৰ বজাৰ দখল কৰিবলৈ সমৰ্থ হৈছে। পৰৱৰ্তী সময়ত ২০ মেট্ৰিকটন আদা ৰপ্তানিৰ পৰিকল্পনা কৰা হৈছে বুলি মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে।

ooooo

সমাগত বিধানসভা নিৰ্বাচনৰ প্ৰতি লক্ষ্য ৰাখি শাসকীয় বিজেপি, কংগ্ৰেছ আৰু অন্যান্য দলসমূহে নিৰ্বাচন কেন্দ্ৰীক প্ৰস্তুতি অব্যাহত ৰাখিছে। নিৰ্বাচনৰ দিন ঘোষণা হোৱা নাই যদিও দলসমূহে ভোটদাতা ৰাইজৰ ওচৰলৈ গৈ তেওঁলোকৰ মন জয় কৰাৰ চেষ্টা চলাইছে। বিজেপিৰ জন আশীৰ্বাদ যাত্ৰাৰ আজি তৃতীয়দিনা মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই প্ৰথমে গহপুৰৰ কাৰ্যসূচীত অংশ লয়। ইয়াৰ পাছেত বিহপুৰীয়াত মুখ্যমন্ত্ৰীয়ে অভিযানত অংশ লয়। তেওঁ ৰঙানদী আৰু নাওবৈচাতো জন আশীৰ্বাদ যাত্ৰাত অংশগ্ৰহণ কৰিব। এই আশীৰ্বাদ যাত্ৰাৰ কাৰ্যসূচীত বিজেপিৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়া, মন্ত্ৰী অশোক সিংহলকে ধৰি কেইবাগৰাকীও নেতাই অংশ লৈছে। উল্লেখযোগ্য যে কালি জাগীৰোডৰ পৰা আৰম্ভ হোৱা দ্বিতীয়দিনৰ কাৰ্যসূচীত মুখ্যমন্ত্ৰী ড০ শৰ্মাই অংশগ্ৰহণ কৰে।

কংগ্ৰেছ দলে নিৰ্বাচনৰ প্ৰতি লক্ষ্য ৰাখি সময় পৰিৱৰ্তন যাত্ৰা শীৰ্ষক জনসম্পৰ্ক কাৰ্যসূচী গ্ৰহণ কৰিছে। আজি অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি তথা সাংসদ গৌৰৱ গগৈয়ে তিনিচুকীয়াত এই কাৰ্যসূচীত অংশ লয়। তেওঁ নেতাজী সুভাষ চন্দ্ৰ বসু, পিয়লি ফুকন আৰু সুধাকণ্ঠ ড০ ভূপেন হাজৰিকাৰ প্ৰতিমূৰ্তিত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। ইয়াৰ পাছতে শ্ৰী গগৈৰ লগতে কংগ্ৰেছ দলৰ কেইবাগৰাকীও নেতাই জনসাধাৰণৰ মাজলৈ যায়।

ooooo

চিৰাং জিলাৰ কাজলগাঁৱত আজি বি পি এফৰ এখন জনসভা অনুষ্ঠিত হয়। এই সভাত বি টি চিৰ বিৰোধী দলপতি তথা ইউ পি পি এলৰ নেতা খাম্ফা বৰগয়াৰী, ইউ পি পি এলৰ প্ৰতিষ্ঠাপক সাধাৰণ সম্পাদক মাউথি ব্ৰহ্ম হাজোৱাৰী, ইউ পি পি এলৰ যুৱ গোটৰ প্ৰাক্তন সভাপতি ড০ চাংগ্ৰা ব্ৰহ্মসহ ১৬০ গৰাকী লোকে আনুষ্ঠানিকভাৱে বি পি এফত যোগদান কৰে। সভাৰ পূৰ্বে কাজলগাঁৱৰ আলাইখুংগ্ৰী পথাৰৰ পৰা কাজলগাঁও বজাৰৰ সামূহিক কেন্দ্ৰলৈ এটা সমদল উলিওৱা হয়। বি টি চি প্ৰধান হাগ্ৰামা মহিলাৰীৰ নেতৃত্বত উলিওৱা দিছপুৰ চলো শীৰ্ষক এই যাত্ৰাত কেইবাহাজাৰ লোকে অংশগ্ৰহণ কৰে।

ooooo

ডিব্ৰুগড় জিলাৰ জকাই হাৰকপথাৰত সোণোৱাল কছাৰীসকলৰ খ্ৰীং খ্ৰীং বাইথো পূজা তিনিদিনীয়াকৈ অনুষ্ঠিত হৈছে। ৰাজ্য চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত আৰু ডিব্ৰুগড় জিলা প্ৰশাসন, সোণোৱাল কছাৰী স্বায়ত্ত শাসিত পৰিষদ, জকাই আঞ্চলিক বাইথো মন্দিৰ পৰিচালনা সমিতিৰ সহযোগত অনুষ্ঠিত এই কাৰ্যসূচীত আজি কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে অংশগ্ৰহণ কৰে। শ্ৰীসোণোৱালে সোণোৱাল কছাৰীসকলৰ আৰাধ্য দেৱতা খ্ৰীং খ্ৰীং বাইথোৰ চৰণত সেৱা জনাই উপস্থিত জনসাধাৰণক উদ্দেশ্যি ভাষণ দিয়ে।

বাইট

আজিৰ অনুষ্ঠানত সাংস্কৃতিক মন্ত্ৰী বিমল বৰা, শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগু, বিধায়ক চক্ৰধৰ গগৈ, সোণোৱাল কছাৰী স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য টংকেশ্বৰ সোণোৱালকে ধৰি ভালেকেইগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে। আনহাতে গোলাঘাটৰ মেৰাপানীৰ ৪ নম্বৰ তৰাণি বিশ্ৰামপুৰ বাইথো মন্দিৰতো

আজি খ্ৰীং খ্ৰীং বাইথো পূজা পালন কৰা হয়। এই উপলক্ষে ধৰ্মীয় নীতি-নিয়ম অনুসৰি পুৱাৰে পৰা বিভিন্ন কাৰ্যসূচী ৰূপায়ণ কৰাৰ লগতে সাংস্কৃতিক কাৰ্যসূচীৰো আয়োজন কৰা হয়।

০০০০০

ডিব্ৰুগড় জিলাৰ ডিব্ৰু মহাবিদ্যালয়ত নতুনকৈ নিৰ্মাণ কৰা লক্ষ্মী নাৰায়ণ কানৈ প্ৰশাসনিক ভৱন আজি শিক্ষা মন্ত্ৰী ডাঃ ৰণোজো পেগুৱে আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। এই অনুষ্ঠানত স্থানীয় বিধায়ক তথা মন্ত্ৰী প্ৰশান্ত ফুকন, প্ৰাক্তন বিধায়ক ৰিতুপৰ্ণ বৰুৱা, মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি ড০ কল্যাণ ভূঞা, অধ্যক্ষ ড০ ৰঞ্জন চাংমাইকে ধৰি ভালেসংখ্যক লোকে অংশগ্ৰহণ কৰে। উল্লেখযোগ্য যে প্ৰশাসনিক ভৱনটো জ্যোতি ললিতা কানৈ ফাউণ্ডেচনৰ তত্বাৱধানত ডিব্ৰুগড়ৰ সমাজকৰ্মী জ্যোতি প্ৰসাদ কানৈয়ে প্ৰায় ডেৰ কোটি টকা ব্যয়েৰে নিৰ্মাণ কৰিছে। আজিৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰি শিক্ষা মন্ত্ৰী ডাঃ পেগুৱে মহাবিদ্যালয়খনৰ নতুন হোষ্টেল নিৰ্মাণৰ বাবে আৰ্থিক অনুদান আগবঢ়োৱাৰ কথা ঘোষণা কৰে।

০০০০০

ৰাজ্যৰ ক্ৰীড়া ক্ষেত্ৰৰ উন্নয়নৰ বাবে গ্ৰহণ কৰা পদক্ষেপৰ অংশ হিচাপে ৰাজ্য চৰকাৰৰ ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগে জাপান ইণ্টাৰনেচনেল এজেন্সিৰ সহযোগত বিভিন্ন ক্ৰীড়া শিতানৰ পাঁচ গৰাকী জাপানী প্ৰশিক্ষকৰ দ্বাৰা অসমৰ খেলুৱৈক প্ৰশিক্ষণ প্ৰদানৰ ব্যৱস্থা লৈছে। এই প্ৰশিক্ষক সকলে দুবছৰ অসমত থাকি উদীয়মান খেলুৱৈসকলক প্ৰশিক্ষণ প্ৰদান কৰিব। এই পদক্ষেপে ক্ৰীড়াৰ ভিন্ন ক্ষেত্ৰত প্ৰতিভা বিকশাই তোলাত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব বুলি আশা কৰা হৈছে। এই প্ৰশিক্ষকসকলে ভলীবল, বাস্কেট বল, সাঁতোৰ, ফুটবলকে ধৰি কেইবাটাও ক্ৰীড়া শিতানত প্ৰশিক্ষণ প্ৰদান কৰিব।

০০০০০

সমাপ্ত